# **REGIONAL NEWS UNIT**
# AKASHVANI, GUWAHATI

0000000000

**Date :** 07-09 -2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***

-------------------

বিশ্ববন্দিত শিল্পী ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে কাইলৈৰ পৰা ৰাজ্যজুৰি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অসম সাহিত্য সভাই শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে স্বীকৃতিপ্ৰাপ্ত ৩ খন জিলা সাহিত্য সভা আৰু এহেজাৰখন শাখা সাহিত্য সভাৰ জৰিয়তে কাইলৈৰ পৰা কাৰ্যসূচী অনুষ্ঠিত কৰিব। ইয়াৰ উপৰি দেশে বিদেশে থকা শাখা সাহিত্য সভাসমূহৰ উদ্যোগতো কাৰ্যসূচী ৰূপায়ন কৰা হ্ব। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই আজি সভাই গুৱাহাটী কাৰ্যালয়ৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনত আয়োজিত এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে অসম সাহিত্য সভাৰ উদ্যোগত আৰু ওদালগুৰি জিলাৰ শ্ৰীশ্ৰীগোবিন্দ মিশ্ৰ শতদল শাখা সাহিত্য সভাৰ সহযোগত কাইলৈ আৰু পৰহিলৈ শিল্পীগৰাকীৰ জন্ম শতবাৰ্ষিকীৰ উদ্বোধনী কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই উপলক্ষে পুৱাৰ ভাগত বন্তি প্ৰজলন, গছপুলি ৰোপণ, গ্ৰন্থ বিপনী মুকলি, ভূপেন হাজৰিকাৰ গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়া শিল্পীগৰাকীৰ স্মৃতিত এশ গছি বন্তি প্ৰজলন কৰা হ'ব। পৰহিলৈ ড° ভূপেন হাজৰিকাৰ প্ৰতিকৃতি অংকন প্ৰতিযোগিতা আৰু সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। এই শোভাযাত্ৰাত শিল্পী, সাহিত্যিকে অংশগ্ৰহণ কৰিব। গুৱাহাটী মহানগৰীতো শিল্পীগৰাকীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি আজিৰে পৰা বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই উপলক্ষে আজি পুৱা জালুকবাৰী ভূপেন হাজৰিকা সমাধিক্ষেত্ৰৰ পৰা এটা চাইকেল সমদল উলিওৱা হয়। ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ সম্পাদিকা মঞ্জুলা হাজৰিকাই এই সমদল মুকলি কৰে। আজি পুৱাৰ ভাগত গুৱাহাটীৰ গণেশ মন্দিৰ প্ৰাঙ্গনত ভূপেন হাজৰিকাৰ গীতৰ এখন কৰ্মশালা মুকলি কৰা হয়। কৰ্মশালাখন শিল্পী কমল কটকীয়ে মুকলি কৰে। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাতশিঙিমাৰীটো শিল্পীগৰাকীৰ জন্ম শতবৰ্ষ উপলক্ষে অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আজি আৰম্ভণি কাৰ্যসূচীত সুধাকণ্ঠৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজলন আৰু পতাকা উত্তোলন কৰা হয়।

ইপিনে, ৰাজ্যৰ বিভি্ন্ন প্ৰান্তত শিল্পীগৰাকীৰ জন্ম শতবৰ্ষ উদযাপনৰ সৈতে সংগতি ৰাখি ড° অমৰজ্যোতি চৌধুৰী ৰচিত মৃত্যু জিনাৰ গান কবিতাটি সমুহীয়াভাৱে আবৃত্তিৰ কাৰ্যসূচী লোৱা হৈছে। আজি মঙলদৈৰ জিলা পুথিভঁড়াল প্ৰেক্ষাগৃহতো এই অনুষ্ঠানৰ আযোজন কৰা হয়। কাইলৈ শিল্পীগৰাকীৰ জন্ম দিন উপলক্ষে চাৰি শতাধিক নবীন প্ৰবীন আবৃত্তিকাৰে কবিতাটি আবৃত্তি কৰিব। গোৱালপাৰা মহাবিদ্যালয়তো আজি এই আবৃত্তিৰ আয়োজন কৰা হয়। কাইলৈ ডেৰ শতাধিক আবৃত্তিকাৰে এই কবিতাটি পৰিবেশন কৰিব।

০০০০০০

সমাগত বি টি চি নিৰ্বাচন উপলক্ষে আজি মন্ত্ৰী পীযুষ হাজৰিকাই ওদালগুৰি জিলাৰ খৈৰাবাৰী পৰিষদীয় সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টিৰ মুখ্য নিৰ্বাচনী কাৰ্যালয় উদ্বোধন কৰে। মন্ত্ৰী হাজৰিকাই তেওঁৰ ভাষণত জাতি-জনগোষ্ঠী নিৰ্বিশেষে সকলোৰে উন্নয়নৰ স্বাৰ্থত এই নিৰ্বাচনত বিজেপিক ভোট দিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায়। তেওঁ কয় যে বি টি আৰৰ উন্নয়নৰ বাবে বিজেপিয়ে দিয়া প্ৰতিশ্ৰুতি পৰৱৰ্তী সময়ত আখৰে আখৰে পূৰণ কৰা হ'ব। উল্লেখযোগ্য যে খৈৰাবাৰী পৰিষদীয় সমষ্টিত বিজেপিৰ হৈ মদন ৰাভাই প্ৰতিদ্বন্দ্বিতা কৰিব।

০০০০০০

কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ উদ্যোগত শাখা সাহিত্য সভা আৰু জিলা সাহিত্য সভাৰ মাজত একতা আৰু সমন্বয় গঢ়ি তোলাৰ উদ্দেশ্যে সতীৰ্থ সমন্বয় যাত্ৰা শীৰ্ষক বিশেষ কাৰ্যসূচী আজি ৰূপায়ণ কৰা হয়। এই যাত্ৰাৰ অংশ হিচাপে চানমাৰি, জ্যোতিনগৰ, বামুণীমৈদাম, গণেশ নগৰ আৰু গীতানগৰ শাখা সাহিত্য সভাসমূহৰ সৈতে মত-বিনিময় কৰা হয়। জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল বৰ্মন আৰু সম্পাদক অৰুণ কুমাৰ মহন্তৰ নেতৃত্বত এটা সজাতি দলে এই পাঁচখন শাখা সাহিত্য সভালৈ গৈ বিভিন্ন বিষয়ত কথা পাতে।

০০০০০০

লৌহপুৰুষ হিচাপে পৰিচিত শ্ৰদ্ধাৰ বল্লভ ভাই পেটেলৰ ১৫০ সংখ্যক জয়ন্তীৰ লগত সংগতি ৰাখি বজালী জিলা আৰক্ষীয়ে আজি ব্যতিক্ৰমী কাৰ্যসূচী অনুষ্ঠিত কৰে। আৰক্ষী প্ৰশাসন আৰু জনসাধাৰণৰ মাজত পাৰস্পৰিক বুজাবুজি তথা সদ্ভাৱ সুদৃঢ় কৰাৰ লক্ষ্যৰে এই কাৰ্যসূচীৰ আয়োজন কৰা হয়। কাৰ্যসূচীৰ অংশ হিচাপে পাঠশালাৰ হৰিমন্দিৰ প্ৰাঙ্গনত কণ কণ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত দুটা শাখাত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। জিলাখনৰ ৪০০তকৈও অধিক ছাত্ৰ-ছাত্ৰীয়ে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি অনুষ্ঠানটো সফল কৰি তোলে বুলি আমাৰ বজালীৰ সংবাদদাতাই জনাইছে।

০০০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃ ঃঃ ঃঃ ঃঃ ঃঃ